Sl. No. 26

D–DTN–K–BTA

# ASSAMESE

## Paper—I

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

## Section—A

**1.** যি কোনো তিনিটা প্ৰশ্ন বাছি লৈ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

*(a)* প্ৰচীন ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা ? ইয়াৰ স্তবকেইটা কি কি আৰু সেই স্তবৰবোৰৰ মাজেদি আহি অসমীয়া ভাষাৰ কেনেকৈ উদ্ভৱ হ'ল, লিখাঁ।

*(b)* অসমীয়া গদ্যৰ বিকাশত বুৰঞ্জীৰ গদ্যৰ ভূমিকা সম্পৰ্কে আলোচনা কৰি এটি টোকা লিখাঁ।

*(c)* অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেঁইটা আৰু কি কি, বৰ্ণবিজ্ঞানৰ আধাৰত প্ৰতিষ্ঠা কৰাঁ। লগতে উচ্চাৰণ অনুসৰি ইবোৰক তালিকাভুক্ত কৰি দেখুওৱাঁ।

(*d*) ব্ৰাহ্মী লিপিৰ পৰা কুটিল লিপিৰ মাজেদি বিকশিত হৈ কেনেকৈ অসমীয়া লিপিয়ে ছপা ৰূপত আত্মপ্ৰকাশ কৰিলে, সেই সম্পৰ্কে বহলাই আলোচনা কৰা।

**2.** অসমীয়া ভাষাৰ ঠাই নামবাচক আৰু নদী নামবাচক শব্দ কিছুমানৰ উৎপত্তি বা উৎস দেখুৱাই এটি নিবন্ধ যুগুত কৰা। 60

**3.** স্বাৰ্থিক প্ৰত্যয় বুলিলে কি বুজা? অসমীয়া ভাষাত তেনে স্বাৰ্থিক প্ৰত্যয় কোনবোৰ, লিখাঁ আৰু সেইবোৰৰ প্ৰয়োগ-বৈশিষ্ট্য দেখুওৱা। 60

**4.** অসমীয়া মান্য ভাষা আৰু কামৰূপী উপভাষাৰ মাজত থকা ধ্বনিগত, ৰূপগত আৰু শব্দগত পাৰ্থক্যবোৰ উদাহৰণসহ দেখুৱাই এটি আলোচনা যুগুত কৰা। 60

## Section—B

**5.** যি কোনো তিনিটা প্ৰশ্ন বাছি লৈ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

(*a*) ৰহস্যবাদ বুলিলে কি বুজা? অসমীয়া সাহিত্যত ৰহস্যবাদ—এই শীৰ্ষক এক আলোচনা আগবঢ়োৱা।

(*b*) চৰ্যাপদসমূহে অসমীয়া সাহিত্যৰ কোনটো স্তৰ নিৰ্দেশ কৰে? চৰ্যাৰ ভাষাত থকা অসমীয়া ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য কেতবোৰ দেখুৱাই ইয়াৰ ভাষাক সন্ধ্যাভাষা বোলাৰ কাৰণ ব্যাখ্যা কৰা।

(*c*) অংকীয়া নাটৰ ৰচনাৰীতি সম্পৰ্কে আলোচনা কৰি এটি টোকা লিখাঁ।

(*d*) জোনাকী যুগৰ সাহিত্যৰ প্ৰধান বৈশিষ্ট্য কি কি? চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত এই বৈশিষ্ট্যবোৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

**6.** অসমীয়া উপন্যাস-সাহিত্যৰ ইতিহাস বিৱৰি পৰ্যালোচনামূলক এটি টোকা লিখাঁ। 60

**7.** ৰামধেনু যুগৰ চুটিগল্পৰ বিষয়ে বহলাই আলোচনা কৰাঁ। 60

**8.** অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান—এই শীৰ্ষক এটি আলোচনা আগবঢ়োৱাঁ। 60

★ ★ ★